**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতৰ সাংস্কৃতিক বিচিত্ৰতা দেশখনৰ বিভিন্ন প্ৰান্তৰ বস্ত্ৰত প্ৰতিফলিত হয়।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি অ'মানৰ ৰাজধানী মাস্কাটত অষ্টম ভাৰতীয় সাগৰ সন্মিলনত অংশগ্ৰহণ কৰে।

৩। আফ্ৰিকাৰ অন্যতম সোণ উৎপাদনকাৰী দেশ মালীৰ পূব দিশৰ সোণৰ খনিত হোৱা দুৰ্ঘটনাত ৪২ গৰাকী লোক নিহত হোৱাৰ লগতে কেইবাগৰাকীও আহত হৈছে।

৪। আই এছ্ এল প্ৰতিযোগিতাত আজি কলকাতাত হ'বলগীয়া এখন খেলত ইষ্ট বেংগল আৰু মহম্মেদান স্প'ৰ্টিং মুখামুখি হ'ব।

*আৰু*

৫। হকীৰ FIH প্ৰো লীগ - ২০২৪-২৫ প্ৰতিযোগিতাত আজি ভাৰতৰ পুৰুষ আৰু মহিলাৰ দলে অংশগ্ৰহণ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতৰ সাংস্কৃতিক বিচিত্ৰতা দেশখনৰ বিভিন্ন প্ৰান্তৰ বস্ত্ৰত প্ৰতিফলিত হয়। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ভাৰত টেক্স-২০২৫ অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি শ্ৰীমোদীয়ে কয়, যে ফাৰ্ম অৰ্থাৎ পাম, ফাইবাৰ অৰ্থাৎ সূতা, ফেব্ৰিক অৰ্থাৎ বস্ত্ৰ, ফেচন অৰ্থাৎ শৈলী আৰু ফৰেইন অৰ্থাৎ বিদেশৰ দৃষ্টিভংগী সম্প্ৰতি অভিযানত পৰিণত হৈছে। ইয়াৰ জৰিয়তে ভাৰতৰ বিকাশ বিভিন্ন ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। বস্ত্ৰ তথা কাপোৰ ৰপ্তানি কৰাৰ ক্ষেত্ৰত দেশে ষষ্ঠ স্থানলৈ উন্নীত হোৱা বুলি তেওঁ প্ৰকাশ কৰে। এই ক্ষেত্ৰত সদ্যহতে ভাৰতৰ ৰপ্তানিয়ে ৩ লাখ কোটিৰ ঘৰ স্পৰ্শ কৰা বুলি প্ৰকাশ কৰি তেওঁ কয়, যে ২০৩০ চনলৈ এই পৰিমাণ ৯ লাখ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰদৰ্শনী স্থল পৰিদৰ্শন কৰি অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰে।

ooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি অ'মানৰ ৰাজধানী মাস্কাটত অষ্টম ভাৰতীয় সাগৰ সন্মিলনত অংশগ্ৰহণ কৰি কয়, যে সমগ্ৰ বিশ্ব পৰিৱৰ্তনৰ ঢৌৰ মাজেৰে অগ্ৰসৰ হৈ থকাৰ মাজতে এই সন্মিলন

অনুষ্ঠিত হৈছে। তেওঁ কয়, যে আন্তৰ্জাতিক ব্যৱস্থাসমূহত দেখা দিয়া পৰিৱৰ্তনক নতুন বিচাৰধাৰা তথা সিদ্ধান্তৰ উপৰি বিশ্বৰ সন্মুখত আহি পৰা পৰিস্থিতিৰ দৃষ্টিভংগীৰেও বুজিব পাৰি। তেওঁ কয়, যে ভাৰতীয় সমুদ্ৰ ক্ষেত্ৰ এই নীতিৰ পৰা পৃথক নহয়। এই সন্মিলনৰ জৰিয়তে অংশীদাৰীসকলৰ মাজত একতাৰ সৃষ্টি হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। ভাৰত-পশ্চিম এছিয়া ইউৰোপ অৰ্থনৈতিক ক'ৰিডৰৰ হকে সামুহিক ভাৰধাৰাৰ প্ৰয়োজন সন্দৰ্ভত তেওঁ আলোকপাত কৰে। ভাৰত, ভিয়েটনাম আৰু মৰিছাছকে ধৰি কেইবাখনো দেশৰ নৌসেনা তথা তট ৰক্ষকসকলক প্ৰশিক্ষণ দি থকা হৈছে বুলিও তেওঁ সদৰী কৰে।

০০০০০

আফ্ৰিকাৰ অন্যতম সোণ উৎপাদনকাৰী দেশ মালীৰ পূব দিশৰ সোণৰ খনিত হোৱা দুৰ্ঘটনাত ৪২ গৰাকী লোক নিহত হোৱাৰ লগতে কেইবাগৰাকীও আহত হৈছে। স্থানীয় বিষয়াসকলে প্ৰকাশ কৰা অনুসৰি, ডাবিয়াৰ বিলালী ক'ট'ত কালি এই ঘটনা সংঘটিত হয়। কেনিয়াবা জিলাৰ চৰকাৰী প্ৰতিনিধি মহম্মদ ডিক'ৰে ৪২ গৰাকী লোকৰ মৃত্যু হোৱা বুলি সদৰী কৰিছে। চীনৰ নাগৰিকৰ তত্বাৱধানত থকা এই সোণৰ খনিৰ বৈধতা সন্দৰ্ভত কৰ্তৃপক্ষই তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, চলিত বৰ্ষত মালীৰ খনিত হোৱা এইটো দ্বিতীয় দুৰ্ঘটনা। যোৱা মাহত কৌলিকৰ অঞ্চলত হোৱা এটা ভূমি স্খলনৰ ঘটনাত কেইবাগৰাকীও খনিত কাম কৰা লোক, বিশেষকৈ মহিলা নিহত হৈছিল।

০০০০০

নতুন দিল্লীৰ ৰে'ল ষ্টেচনত যোৱা নিশা হেঁচা ঠেলাৰ ফলত পদপিষ্ট হৈ কেইবাজনো লোক নিহত হোৱা ঘটনাৰ ৰে'ল বিভাগে নিজাববীয়া তদন্ত আৰম্ভ কৰিছে। উত্তৰ ৰে'লৱেৰ মুখ্য জন সম্পৰ্কৰক্ষী বিষয়া হিমাংশু শেখৰ উপাধ্যায়ে এই ঘটনাত শিশু-মহিলাসহ ১৮ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ১৩ গৰাকী লোক আহত হোৱা বুলি প্ৰকাশ কৰিছে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰখাৰ বাবে উচ্চ পৰ্য্যায়ৰ সমিতি গঠন কৰা বুলি শ্ৰীউপাধ্যায়ে সদৰী কৰিছে। ৰে'লৱেৰ মুখ্য বাণিজ্যিক পৰিচালক নৰসিংহ দেও আৰু মুখ্য সুৰক্ষা আয়ুক্ত পংকজ গাংগৱাৰৰ নেতৃত্বত গঠিত তদন্ত কমিটীয়ে ঘটনাটোৰ সকলো ভিডিঅ' ফুটেজ পৰীক্ষা কৰিব। ঘটনাটোৰ তদন্তৰ দায়িত্ব লৈ দিল্লী আৰক্ষীয়েও ইতিমধ্যে অনুসন্ধান আৰম্ভ কৰিছে। শ্ৰীউপাধ্যায়ে কয়, যে ভুক্তভোগীসকলৰ বাবে ৰে'ল মন্ত্ৰালয়ে আৰ্থিক সাহায্য ঘোষণা কৰিছে। এই অনুসৰি, মৃত লোকসকলৰ নিকটাত্মীয়লৈ ১০ লাখ টকা, গুৰুতৰভাৱে আহতসকললৈ আঢ়ৈ লাখ টকা আৰু সামান্যভাৱে আহতসকললৈ ১ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। বিহাৰৰ মুখ্যমন্ত্ৰী নিতীশ কুমাৰেও নিহত সকলৰ পৰিয়াললৈ ২ লাখ টকা আৰু আহত সকললৈ ৫০ হাজাৰ টকাৰ সাহায্যৰ কথা ঘোষণা কৰিছে। আহতসকলক নতুন দিল্লীৰ লোকনাৰায়ণ জয় প্ৰকাশ চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।

উল্লেখযোগ্য যে প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলালৈ যোৱাৰ বাবে বহুসংখ্যক যাত্ৰীয়ে যোৱা নিশা দিল্লী ৰে'লৱে ষ্টেচনত ভিৰ কৰাৰ ফলতে এই ঘটনা সংঘটিত হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ লগতে ৰে'ল মন্ত্ৰী, গৃহ আৰু প্ৰতিৰক্ষা মন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে এই ঘটনাৰ শোক প্ৰকাশ কৰিছে।

০০০০০

আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক ৰুবিঅ'ই আজি ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেত্যান্যাহুৰ সৈতে জেৰুজালেমত গাজাৰ যুদ্ধ বিৰতি সন্দৰ্ভত মত বিনিময় কৰাৰ কথা। ৰুবিঅ'ই কাইলৈ টেলআভিভত

উপস্থিত হ'ব। যুদ্ধ বিৰতি সন্দৰ্ভত হোৱা বুজাবুজিৰ আধাৰত ৩৬৯ গৰাকী পেলেষ্টাইনী বন্দীৰ বিনিময়ত হামাছে ইজৰাইলৰ তিনিগৰাকী পণবন্দীক মুকলি কৰি দিয়ে। আমেৰিকাৰ বিদেশ মন্ত্ৰীগৰাকীয়ে গাজাষ্ট্ৰীটৰ নিয়ন্ত্ৰণ হাতত ৰখাৰ লগতে তাত বাস কৰা ২০ লাখতকৈও অধিক লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰাৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আগবঢ়োৱা প্ৰস্তাৱ উত্থাপন কৰাৰ সম্ভাৱনা আছে।

ooooo

মুম্বাইত আজি পুৱা হোৱা এটা অগ্নিকাণ্ডত উশাহ বন্ধ হৈ দুগৰাকী মহিলা নিহত হোৱাৰ লগতে আন দুগৰাকী মহিলা আহত হয়। দক্ষিণ মুম্বাইৰ মছজিদ বন্দৰ অঞ্চলৰ পান্না আলী মেনচন নামৰ কেইবামহলীয়া ভৱনটোৰ একাদশ মহলাত এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। চিকিৎসালয়ত ভৰ্তি হৈ থকা আহত লোকসকল বৰ্তমান বিপদমুক্ত বুলি জানিব পৰা গৈছে। বাতৰি লিখাৰ পৰলৈ অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই।

ooooo

ৰাজ্যত প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰৰ কোকৰাঝাৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰাৰম্ভিক বৈঠক অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই প্ৰসংগত কয়, যে ইয়াৰ জৰিয়তে ৰাজ্যৰ জনসাধাৰণৰ একতা তথা ৰাজ্যখনৰ সুস্থিৰ পৰিস্থিতি প্ৰতিফলিত হৈছে। ৰাজ্যপালৰ অভিভাষণেৰে কাইলৈৰ অধিৱেশন আৰম্ভ হ'ব। বাজেট অধিৱেশনৰ পৰৱৰ্তী বৈঠকসমূহ গুৱাহাটীৰ স্থায়ী বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। এই অধিৱেশন অহা ২৫ মাৰ্চলৈ অব্যাহত থাকিব।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰত অবৈধভাৱে বাস কৰা ভাৰতীয় নাগৰিক কঢ়িয়াই অনা আন এখন বিমান আজি নিশা অমৃতসৰৰ শ্ৰীগুৰুৰাম দাসজী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰাৰ সম্ভাৱনা আছে। চৰকাৰী সূত্ৰৰ নিশ্চিত তথ্যৰ ভিত্তিত আমাৰ জলন্ধৰৰ সংবাদদাতাই জনোৱা অনুসৰি বিমানখনত এশ গৰাকীতকৈও অধিক ভাৰতীয় নাগৰিক আছে। ইয়াৰ ভিতৰত ৩০ গৰাকী লোক পঞ্জাৱৰ। বিমানখনত হাৰিয়াণাকে ধৰি কেইবাখনো ৰাজ্যৰ নাগৰিক থকা বুলি জানিব পৰা গৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰত অবৈধভাৱে প্ৰৱেশ কৰা ভাৰতীয় লোকক কঢ়িয়াই অনা এয়া তৃতীয়খন বিমান।

ooooo

গুজৰাটৰ স্থানীয় নিকায়সমূহৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আজি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। নিৰ্বাচন আয়োগে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে ভোটগ্ৰহণ কেন্দ্ৰসমূহত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হয়। পুৱা ৭ বজাত আৰম্ভ হোৱা ভোটগ্ৰহণ সন্ধিয়া ৬ বজালৈ অব্যাহত থাকে। অহা মঙলবাৰে ভোটগণনা কৰা হ'ব। জুনাগড় পৌৰ নিগমৰ নিৰ্বাচনত দিনৰ ১১ বজালৈ ১৩ দশমিক ৮-১ শতাংশ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ তথ্য প্ৰকাশিত হৈছে। মধ্যৱৰ্তী তথা তিনিখন তালুকা পঞ্চায়তৰ উপ-নিৰ্বাচন আৰু কেইবাখনো স্থানীয় নিকায়ৰ বাবে অনুষ্ঠিত এই নিৰ্বাচনত জনসাধাৰণে উৎসাহেৰে ভোটদান কৰা পৰিলক্ষিত হয়। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পুৱাৰ পৰা ভোটদাতাসকলে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিবলৈ দীঘলীয়া শাৰী পাতে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত জ্যেষ্ঠ নাগৰিক তথা বিশেষভাৱে সক্ষম লোকসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হয়। স্থানীয় নিকায়সমূহৰ বাবে অনুষ্ঠিত এই নিৰ্বাচনত ৫ হাজাৰ ৮৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ২১৩ গৰাকী প্ৰাৰ্থীয়ে ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। ভোটদান ব্যৱস্থা সুকলমে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ

কৰা হৈছে। নিৰ্বাচনৰ সময়ছোৱাত আইন-শৃংখলা পৰিস্থিতিৰ শৃংখলা বজাই ৰখাৰ উদ্দেশ্যে ১০ হাজাৰতকৈ অধিক আৰক্ষী মোতায়েন কৰা হৈছে।

০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ, আই এছ এল প্ৰতিযোগিতাত আজি কলকাতাত হ'বলগীয়া এখন খেলত ইষ্ট বেংগল আৰু মহম্মেদান স্প'ৰ্টিং মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি ইষ্ট বেংগল দল সম্প্ৰতি একাদশ স্থানত থকাৰ বিপৰীতে মহম্মেদান স্প'ৰ্টিং দলে তালিকাৰ নিম্নভাগত স্থান লাভ কৰিছে। দুয়োটা দলৰ বাবে প্লে' অফ পৰ্য্যায়লৈ উন্নীত হোৱাটো কঠিন হৈ পৰা পৰিলক্ষিত হৈছে। লীগ পৰ্য্যায়ৰ খেলসমূহৰ অহা ১২ মাৰ্চত অন্ত পৰিব। এই পৰ্য্যায়ৰ অন্তত শীৰ্ষৰ দল দুটাই ছেমি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিব। আনহাতে, তৃতীয়ৰ পৰা ষষ্ঠ স্থান লাভ কৰা দল চাৰিটাৰ মাজৰ দুটা দলে আনখন ছেমি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিব।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আজি ঘোষণা কৰা আই পি এলৰ সূচী অনুসৰি অহা ২২ মাৰ্চৰ পৰা এইবাৰৰ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনত হ'বলগীয়া উদ্বোধনী খেলখনত কলকাতা নাইট ৰাইডাৰ্ছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ মুখামুখি হ'ব। দেশৰ মুঠ ১০টা স্থানত এইবাৰৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজস্থান ৰয়েলছৰ হোমগ্ৰাউণ্ড গুৱাহাটীত  দুখন খেল অনুষ্ঠিত হ'ব। অহা ২৬ মাৰ্চত গুৱাহাটীত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। ৩০ মাৰ্চত গুৱাহাটীত হ'বলগীয়া আনখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। আই পি এলৰ ফাইনেল খেলখন ২৫ মে'ত ইডেন গাৰ্ডেনত অনুষ্ঠিত হ'ব।

০০০০০

হকীৰ FIH প্ৰো লীগ - ২০২৪-২৫ প্ৰতিযোগিতাত আজি ভাৰতৰ পুৰুষ আৰু মহিলাৰ দলে অংশগ্ৰহণ কৰিছে। ভাৰতৰ পুৰুষৰ দলে ভুবনেশ্বৰৰ কলিংগ হকী ষ্টেডিয়ামত স্পেইনৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। একেখন ষ্টেডিয়ামতে বিয়লি ৫ বাজি ১৫ মিনিটত আৰম্ভ হোৱা খেলখন ভাৰতৰ মহিলা দলটো ইংলেণ্ডৰ মুখামুখি হৈছে। বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ড ২-১ ফলাফলত আগবাঢ়ি আছে।

এই খেলসমূহ ডি ডি স্প'ৰ্টছকে ধৰি কেইবাটাও চেনেলত পোনপটীয়াভাৱে প্ৰচাৰ কৰা হ'ব।

০০০০০

সমাপ্ত